**NSD NEWS UNIT**
AKSHVANI, GUWAHATI
0000000000

**Date :** 05-06-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সপ্তদশ লোকসভা ভংগ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীৰ বাসগৃহত আজি কেন্দ্ৰত নতুন চৰকাৰ গঠনৰ ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰাৰ বাবে এন ডি এৰ মিত্ৰদলৰ নেতাসকলৰ এখন বৈঠকত অনুষ্ঠিত হয়।

৩। দিল্লীৰ এখন আদালতে সুৰা নীতি কেলেংকাৰী সংক্ৰান্তত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক অন্তৰ্বৰ্তী জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছে।

৪। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা, NEET ৰ ফলাফল ঘোষণা কৰা হৈছে। *আৰু*

৫। ভাৰতে আজি আয়ৰলেণ্ডৰ বিৰুদ্ধে হবলগীয়া খেলেৰে টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সপ্তদশ লোকসভা ভংগ কৰে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে ৰাষ্ট্ৰপতিক ততালিকে কাৰ্যকৰী হোৱাকৈ সপ্তদশ লোকসভা ভংগ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত বিদায়ী কেবিনেট মন্ত্ৰীসকলৰ সন্মানাৰ্থে নৈশভোজৰ আয়োজন কৰিছে। ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন্ত্ৰী পৰিষদসহ শ্ৰীমতী মুৰ্মুক পদত্যাগপত্ৰ অৰ্পন কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী বাসভৱনত আজি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অন্তিমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত চৰকাৰে জনসাধাৰণৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। এই ধাৰা পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি তেওঁ মন্তব্য কৰে। জয়-পৰাজয় ৰাজনীতিৰ এটা অংশ বুলিও তেওঁ উল্লেখ কৰে। বিগত ১০ বছৰত কেন্দ্ৰীয় মন্ত্ৰীসকলে শ্ৰেষ্ঠখিনি উজাৰি কাম কৰাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰী, ৰাজনাথ সিং, সৰ্বানন্দ সোণোৱালকে ধৰি আন কেবিনেট মন্ত্ৰীও উপস্থিত থাকে। কালি ঘোষণা কৰা লোকসভা নিৰ্বাচনৰ ফলাফলত এন ডি এ জয়ী হোৱাৰ পাছতে আজি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হৈছে।

০০০০

দিল্লীৰ এখন আদালতে সুৰা নীতি কেলেংকাৰী সংক্ৰান্তত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক অন্তৰৰ্তী জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছে। ৰাউজ এভিনিউ আদালতৰ বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই আজি চিকিৎসাজনিত কাৰণত ৭ দিনৰ বাবে অন্তৰৰ্তী জামিন বিচাৰি কেজৰিৱালে জনোৱা আবেদন অগ্ৰাহ্য কৰে। ন্যায়ালয়ে তিহাৰ কাৰাগাৰত বিষয়াসকলক ন্যায়িক জিম্মাৰ সময়ত কেজৰিৱালৰ চিকিৎসা আৰশ্যকতাৰ যত্ন লবলৈ নিৰ্দেশ দিয়ে। শ্ৰীকেজৰিৱালৰ নিয়মীয়া জামিন আবেদন সন্দৰ্ভত ৭ জুনত শুনানি হ'ব।

০০০০

লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁট, চৰকাৰ গঠনক লৈ কৌশল যুগুত কৰাৰ বাবে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীৰ বাসগৃহত অনুষ্ঠিত এন ডি এৰ মিত্ৰদলসমূহৰ নেতাসকলৰ বৈঠকত কেন্দ্ৰত নতুন চৰকাৰ গঠনৰ ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰা হয়। বৈঠকত এন ডি এৰ নেতাসকলে নৰেন্দ্ৰ মোদীক মিত্ৰজোটৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাচনি কৰে। এন ডি এৰ নেতাসকলে এটা প্ৰস্তাৱযোগে দুখীয়া জনসাধাৰণ, মহিলা, যুৱ প্ৰজন্ম, খেতিয়ক আৰু সমাজৰ নিপীড়িত শ্ৰেণীৰ সেৱাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত তেলেগু দেশম পাৰ্টীৰ মুৰববী এন চন্দ্ৰবাবু নাইডু, জনতা দল ইউনাইটেডৰ মুৰববী তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, লোকজনশক্তি দল ৰাম বিলাস গোটৰ মুৰববী চিৰাগ পাছোৱান, অপনা দলৰ নেত্ৰী অনুপ্ৰিয়া পেটেল, আৰ এল ডিৰ মুৰববী জয়ন্ত চৌধৰী, জে ডি এছৰ এইচ ডি কুমাৰস্বামী, হিন্দুস্থানী আৱামী মৰ্চাৰ নেতা জীতন ৰাম মাঝি, জনসেৱা পাৰ্টীৰ নেতা পৱন কল্যান আৰু অন্যান্য মিত্ৰদলৰ নেতাসকলৰ লগতে বিজেপিৰ শীৰ্ষ নেতাসকলে অংশ লয়।

ইপিনে, আজি কিছু সময়ৰ পূৰ্বে আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকল নতুন দিল্লীত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত উপস্থিত হৈছে। তেওঁলোকেও নতুন চৰকাৰ গঠনৰ কৌশলসমূহ সন্দৰ্ভত আলোচনাত মিলিত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সদস্যসকলৰ লগতে নিজৰ পদত্যাগ পত্ৰ দাখিল কৰে। ৰাষ্ট্ৰপতিয়ে পদত্যাগ পত্ৰ গ্ৰহণ কৰে আৰু নতুন চৰকাৰ গঠন নোহোৱালৈকে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সদস্যসকলক কাম-কাজ চলাই নিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে আজি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰে।

০০০০

বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোটৰ সাংসদসকলৰ এখন বৈঠক নতুন দিল্লীত অহা শুকুৰবাৰে অনুষ্ঠিত হোৱাৰ কথা আছে। বিজেপি, টিডিপি, জে ডি ইউ, এল জে পি (আৰ), শিৱসেনা সিন্দে গোট, আৰু এন ডি এ মিত্ৰজোটৰ অন্য অংশীদাৰ দলৰ নৱ নিৰ্বাচিত সাংসদসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা অৰ্থাৎ NEET ৰ ফলাফল আজি ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই ঘোষণা কৰা ফলাফল অনুসৰি

উত্তৰ-পূৰ্বাঞ্চলৰ ৩৭ হাজাৰ ৬৬৭ গৰাকী পৰীক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে এই পৰীক্ষাৰ্থীসকলৰ ভিতৰত ৩ হাজাৰ ৭৬৯ গৰাকীয়ে অসমীয়া ভাষাত পৰীক্ষা লিখিছিল। আনহাতে, এইবছৰ ৰাজস্থানৰ ১১ গৰাকী পৰীক্ষাৰ্থীয়ে সৰ্বাধিক নম্বৰ লাভ কৰি শীৰ্ষ স্থানত আছে।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবীছে ৰাজ্যখনৰ দলৰ অসন্তোষজনক প্ৰদৰ্শনৰ পূৰ্ণ দায়িত্ব মুৰ পাতি লৈছে। কেন্দ্ৰীয় নেতৃবৰ্গই অনুমতি প্ৰদান কৰিলে উপ মুখ্যমন্ত্ৰী পদ ত্যাগ কৰাৰ প্ৰস্তাৱ আগবঢ়াই শ্ৰীফাড়নবীজে কয় যে পদত্যাগৰ পাছত তেওঁ ৰাজ্যখনৰ আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবদ অধিক সময় দিবলৈ সমৰ্থ হ'ব।

০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা শিশুসকলৰ পৰা মনোনয়ন বিচাৰিছে। যোগ্যতাসম্পন্ন প্ৰাৰ্থীসকলে https://awards/gov.in অনলাইন প'ৰ্টেলত অহা ৩১ জুলাইৰ ভিতৰত আবেদন কৰিব পাৰিব। আবেদনকাৰীয়ে আবেদনৰ প্ৰতিলিপি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। উল্লেখযোগ্য যে সাহসিকতা, ক্ৰীড়া, সমাজসেৱা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, পৰিৱেশ, কলা আৰু সংস্কৃতিৰ লগতে উদ্ভাৱনমূলক দিশত অৰিহণা যোগোৱা নিৰ্বাচিত শিশুসকলক নতুন দিল্লীত ৰাষ্ট্ৰপতিয়ে এই পুৰস্কাৰ প্ৰদান কৰিব।

০০০০

লোকসভা সচিবালয়ে অষ্টাদশ লোকসভাৰ নতুন সদস্যসকলক আদৰণি জনোৱাৰ বাবে সাজু হৈছে। সচিবালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে, সদস্যসকলক আদৰণি জনোৱাৰ বাবে আৰু বাধাৰোহিত পঞ্জীয়ন সুনিশ্চিত কৰাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। সময় ৰাহি কৰা আৰু কাগজ বিহীন ডিজিটীয় প্ৰক্ৰিয়া প্ৰয়োগৰ উদ্দেশ্যে সংহত অনলাইন ছফটৱেৰৰ জৰিয়তে নৱ নিৰ্বাচিত সদস্যসকলৰ পঞ্জীয়ন সম্পন্ন কৰা হ'ব। একেদৰে নৱ নিৰ্বাচিত সদস্যসকলক এছ বি আই বেংক একাউণ্ট খোলা, স্থায়ী পৰিচয়পত্ৰ, কেন্দ্ৰীয় চৰকাৰী স্বাস্থ্য কাৰ্ড প্ৰদান কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সচিবালয়ে কৈছে যে আজিৰে পৰা ১৪ জুনলৈ সপ্তাহৰ সাতোটা দিনতে পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ এই প্ৰক্ৰিয়া মুকলি থাকিব।

০০০০

অনাগত ৭ দিনত উত্তৰ পূৱ অঞ্চল, উপ হিমালয়, পশ্চিমবংগ আৰু চিকিমত ধুমুহা গাজনিৰে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনোৱা মতে জম্মু-কাশ্মীৰ, লাডাখ, গিলগিত, বালিটস্তান, হিমাচল প্ৰদেশ, উত্তৰাখণ্ডতো একে ধৰণৰ পৰিস্থিতিৰ সম্ভাৱনা আছে। অহা দুই তিনি দিনত পাঞ্জাব,  হাৰিয়ানা, চণ্ডিগড়, দিল্লী, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানত ধমুহা গাজনীৰে পাতলীয়া বৰষুণ আৰু ধূলিৰ ধুমুহা অহাৰ সম্ভাৱনা আছে।

০০০০

দূৰসংযোগ বিভাগে লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ তথা   উদ্যোগ ৪ পইণ্ট জিৰো ৰূপান্তৰকৰণক সকাহ দিয়াৰ উদ্দেশ্যে বিশেষ পদক্ষেপ হাতত লৈছে। 5G আৰু 6G প্ৰযুক্তিৰ আগমনৰ লগে লগে ডিজিটেল ৰূপান্তৰকৰণক আগবঢ়াই নিয়াৰ বাবে  উদ্যোগসমূহ প্ৰস্তুত কৰি তোলাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। উদ্যোগ ৪

পইণ্ট জিৰো ৰেচলাইন সমীক্ষাই উত্তৰ আৰু দক্ষিণ ভাৰতৰ ৫ টাকৈ খণ্ড সামৰি লোৱাৰ চেষ্টা কৰিব। বিভাগটোৱে লগতে কয় যে, মূল পৰামৰ্শসমূহ উদ্যোগ ৪ পইণ্ট জিৰোৰ পৰিৱৰ্তনশীল গ্ৰহণ সাধন কৰিবলৈ নীতিগত হস্তক্ষেপৰ মঞ্চ গঠন কৰিব। এই সমীক্ষাত অংশগ্ৰহণ কৰিবলৈ সংস্থাই ষ্টাৰ্টআপসমূহক ৪ জুনৰ ভিতৰত প্ৰস্তাৱ দাখিল কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে।

০০০০

ভাৰতে আজি আয়ৰলেণ্ডৰ বিৰুদ্ধে হবলগীয়া খেলেৰে টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব। নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ যোৱা নিশা ডলাছত অনুষ্ঠিত এখন খেলত নেডাৰলেণ্ডছে নেপালক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত নেপালে প্ৰথমে  বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে ১৮ অভাৰ আৰু ৪টা বলত চাৰিটা উইকেটৰ বিনিময়ত ১০৯ ৰাণ কৰে। প্ৰিংগলক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে ইংলেণ্ড আৰু স্কটলেণ্ডৰ মাজৰ ব্ৰীজটাউন কেন্সিংটনৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০

সমাপ্ত